**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

আজি শাৰদীয় দুৰ্গাপূজাৰ সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। আজি দেৱীক কালৰাত্ৰি ৰূপত পূজা-অৰ্চনা কৰা হয়। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা আধ্যাত্মিকতা ৰক্ষা কৰি দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ সপ্তমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। আজি জনগণৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিকৃতিত দেৱালয়ৰ দলৈ নলিনী শৰ্মাই বন্তি প্ৰজ্বলন কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত দেৱীৰ আশীষ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি মহানগৰীৰ ২৯ খন পূজা মণ্ডপত সেৱা লোৱাৰ কথা।

**নলবাৰী** জিলাৰ ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়ত হাতীৰে আদৰি আনি কালি দেৱীক প্ৰতিষ্ঠা কৰা হয়। আজি পৰম্পৰাগত ৰীতিৰে সপ্তমী পূজা অনুষ্ঠিত হয়।

**গোৱালপাৰা** জিলাৰ বিভিন্ন প্ৰান্ততো কালি ষষ্ঠী উপলক্ষে পূজাৰ বেদীত দেৱী প্ৰতিমা স্থাপন কৰি শক্তিৰূপিনী দেৱীৰ আৰাধনা কৰা হয়। **ধুবুৰী** জিলাৰ শতাধিক পূজাথলীত এইবাৰ দেৱীক আৰাধনা কৰা হৈছে। জিলাখনৰ ৪০৪ বছৰীয়া গৌৰীপুৰৰ ৰজাঘৰীয়া দুৰ্গোৎসৱ, বিলাসীপাৰাৰ জমিদাৰবাৰীৰ অষ্টভূজা পূজা আৰু ৪১৩ বছৰীয়া বগৰীবাৰীৰ মা মহামায়া শক্তিপীঠত আজি পাৰম্পৰিক ৰীতি-নীতিৰে সম্পূৰ্ণ বৈদিক প্ৰথাত মহাসপ্তমী পূজাৰ আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ৰ লগতে বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে।

**দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ ৪৩ খন ঠাইত শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে। আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো আজিৰেপৰা শাৰদীয় দুৰ্গাপূজা পালন কৰা হৈছে।

oooooooo

ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ পৰিপ্ৰেক্ষিতত ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক আনুষ্ঠানিকভাৱে আবেদন জনাইছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

বাইট

মুখ্যমন্ত্ৰীয়ে কয়, যে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ সন্ধান অসম আৰক্ষীয়ে লাভ কৰিছে। অহা ২-৩ দিনৰ ভিতৰত অভিযুক্ত শ্যামকানু মহন্ত গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে সাংবাদিকৰ আগত কয় যে এই ঘটনাৰ অনুসন্ধানৰ বাবে এছ আই টিয়ে ইতিমধ্যে ভালেমান তথ্য লাভ কৰিছে যদিও এতিয়াই তথ্যসমূহ ৰাজহুৱা কৰিব পৰা নাযায়। তেওঁ এই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে উৰা বাতৰিত পতিয়ন যোৱা আৰু ভ্ৰান্ত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে কালি এজাহাৰ দাখিল কৰাৰ পাছত আজি জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে তেওঁ ন্যায় বিচাৰে আৰু তদন্ত প্ৰক্ৰিয়াৰ ওপৰত আস্থা ৰাখিছে। ছিংগাপুৰৰ ৰহস্যজনক দ্বীপটোলৈ জুবিন গাৰ্গক কিয় লৈ যোৱা হৈছিল আৰু কি পৰিস্থিতিত এই ঘটনা ঘটিবলৈ পালে এই প্ৰশ্নসমূহৰ উত্তৰ তেওঁ পোৱা উচিত বুলিও শ্ৰীমতী গাৰ্গে মন্তব্য কৰে।

ভইচ

শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিয়ে আজি বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামী, অভিনেত্ৰী নিশিতা গোস্বামী আৰু কণ্ঠ শিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে। আটাইকেইজনে আৰক্ষীক জেৰাৰ সময়ত সহযোগ কৰিছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি তেওঁৰ কাহিলীপাৰাস্থিত বাসগৃহত মাংগলিক অনুষ্ঠানৰ লগতে বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

অহা ১ অক্টোবৰত যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰৰ স্বচ্ছ ভাৰত অভিযান গ্ৰামীণ, জনস্বাস্থ্য কাৰিকৰী বিভাগ অসমৰ দ্বাৰা ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী গাঁওসমূহত প্ৰচাৰ অভিযান চলোৱা হয়। আৱৰ্জনাৰ সঠিক নিষ্কাষণ কৰি গাঁওসমূহ স্বচ্ছ কৰি ৰখাৰ সজাগতা সৃষ্টিৰ বাবে এই প্ৰচাৰ অভিযান চলোৱা হয়।

০০০০০০০

**সমাপ্ত**